A Peer Reviewed Bilingual Research Journal
(Indexed in UGC-CARE List)

ISSN 2347-7180

# DOGO RANGSANG RESEARCH JOURNAL
# দগো ৰাংছাং গৱেষণা পত্ৰিকা

Vol. IX, Issue. XVI
নৱম বছৰ, ষষ্ঠদশ সংখ্যা
July, 2022
জুলাই, ২০২২

**Chief Editor (Hon.)** : Dr. Upen Rabha Hakacham
**Editors (Hon.)** : Dr. Lalit Chandra Rabha
Dr. Dhaneswar Kalita

মুখ্য সম্পাদক (অবৈতনিক) : ড° উপেন ৰাভা হাকাচাম
সম্পাদকদ্বয় (অবৈতনিক) : ড° ললিত চন্দ্ৰ ৰাভা
ড° ধনেশ্বৰ কলিতা

**Dogo Rangsang Research Society**
**Reg. No. KAM-M/263/L/ 595 of 2015-16**
দগো ৰাংছাং গৱেষণা সমিতি

Principal
Chhamaria Anchalik College

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Indexed in UGC-CARE List)

ISSN : 2347-7180

Vol. IX, Issue XVI, July, 2022

# ভূপেন হাজৰিকাৰ গীতত আধ্যাত্মিক জীৱনবোধৰ সৰল প্ৰতিফলন

● ড° লোহিত ৰাভা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়।
e-mail: drlohitrabha@gmail.com, ফোন ঃ ৭০০২২৩৫২১৮

**সংক্ষিপ্তসাৰ ঃ** *গীতেৰে-সুৰেৰে জগত জিনা, কথাৰে-কামেৰে মানুহৰ হৃদয় জয় কৰিব পৰা, জগতৰ বিখ্যাত শিল্পী, মহীয়সী পল ৰবচন, হেমাংগ বিশ্বাস আদিৰ অনুপ্ৰেৰণা; ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে মহান সাহিত্যিকৰ আশীৰ্বাদৰ চুমাৰে ধন্য হোৱা, জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদৰ আদৰ্শক শিৰোগত কৰি আজীৱন শিল্পী সত্তাকে আঁকোৱালি লৈ জগত সভাত ভোটা-তৰাটি হৈ নিজৰ লগতে আনকো পোহৰাই তোলা এগৰাকী মানৱতাবাদী শিল্পী, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। তেওঁ অকল শিল্পী বা গায়কে নহয়, সুন্দৰ সুন্দৰ ভাব-ছন্দেৰে, কথাৰে লিখিছে শ শ গীত। তেওঁ লিখিছে, তেওঁ গাইছে জীৱনৰ গান, মানুহৰ গান- মানৱতাৰ গান। বিভিন্ন সময়ত, বিভিন্ন কাৰণত গীতবোৰ ৰচনা কৰি, নিজেই সুৰ আৰোপিত কৰি, মানুহক শুনোৱা গীতবোৰ কেতিয়াবা দেশৰ সংকট অৱস্থাত, দেশ বচোৱাৰ গান, জাতিক ৰক্ষা কৰাৰ স্বাৰ্থত জাতিক বচোৱা গান গাই মানুহৰ মনত সঞ্জীৱনী শক্তি যোগাইছিল। এইবোৰৰ উপৰিও জীৱনৰ অতি ব্যক্তিগত অনুভূতিক বিশ্লেষণ কৰিও তেওঁ ভালেমান গীত ৰচিছিল, গাইছিল। যিবোৰ গীতৰ মূল বিষয় আছিল জীৱনবোধৰ গভীৰ বিশ্লেষণ। তেনে কেইবাটিও গীতৰ বিষয় সম্পৰ্কীয় আলোচনা বা বিশ্লেষণৰ প্ৰয়াসেই হৈছে এই লেখাটিৰ উদ্দেশ্য।*

**বীজ শব্দ ঃ** *জীৱন-মৰণ, আত্মা, দেহ, ক্ষণভঙ্গুৰতা।*

## ১.০০ অৱতৰণিকা ঃ

সকলো কলাৰ ভিতৰতেই সংগীত শ্ৰেষ্ঠ। সংগীতে এগৰাকী অতি ৰুক্ষ মানুহকো সুশোভিত কৰিব পাৰে। সংগীতে সকলোৰে মন-প্ৰাণ হৰণ কৰিব পাৰে যদিহে সংগীতকাৰ সুকণ্ঠৰ গৰাকী হয় আৰু যদি হয় ললিত-বলিত মানৱ-দৰদী অনুভূতি প্ৰৱণ। আনৰ দুখত দুখী হৈ আনৰ সুখত সুখী হৈ যিগৰাকী শিল্পী-গীতিকাৰে গাই যাব পাৰে জীৱনৰ গান, ৰচিব পাৰে জীৱন সংগীতৰ সুমধুৰ তান, যাৰ গীতে সংসাৰৰ সকলো শ্ৰেণীৰ লোকৰ অন্তৰাত্মা স্পৰ্শ কৰিব পাৰে, তেনে ললিত বলিত, ধীৰ, গুৰু-গম্ভীৰ এগৰাকী বিশ্ববিশ্ৰুত শিল্পী, গীতিকাৰ, সুৰকাৰ ড° ভূপেন হাজৰিকা। তেওঁৰ পৰিচয় প্ৰসঙ্গত লেখক, প্ৰকাশক তথা গ্ৰন্থ সম্পাদক সূৰ্য্য হাজৰিকাই প্ৰাঞ্জল ভাষাৰে এইদৰে আগবঢ়াই গৈছে—

"অসমৰ সংগীত জগতত সূৰ্য্যসম শক্তিৰে পৰিব্যাপ্ত, যাৰ কিৰণ সমগ্ৰ ভাৰতবৰ্ষসহ পৃথিৱীৰ চৌ প্ৰান্তৰলৈকে বিকশিত হৈছে, সেইজন বিশ্ববিশ্ৰুত শিল্পী, গীতিকাৰ, সুৰকাৰ, গায়ক, সংগীত পৰিচালক, চলচ্চিত্ৰ পৰিচালক, অসম সাহিত্য সভাৰ দ্বাৰা 'সাহিত্যাচাৰ্য' সন্মানেৰে সন্মানিত সাহিত্যৰ সাধক, 'সংগীত সূৰ্য্য' বিভূষণেৰে স্বীকৃত সংস্কৃতিৰ সাধক, ভাৰতীয় চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান 'দাদা চাহেব ফাল্কে বঁটা'ৰে সন্মানিত ভাৰতীয় বোলছবি জগতৰ



Principal
Chamaria Anchalik College

প্ৰবাদ পুৰুষৰূপে মান্য, ভাৰত চৰকাৰৰ সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী' আৰু 'পদ্মভূষণ' সন্মানেৰে বিভূষিত, ভাৰতীয় সংগীত নাটক একাডেমীৰ বঁটাৰে সন্মানিত তথা একাডেমীৰ প্ৰাক্তন অধ্যক্ষ, দেশ-বিদেশৰ বিভিন্ন মঞ্চত বিশ্ববিশ্ৰুত শিল্পীৰূপে সৰ্বজনমান্য, অসমৰ গৌৰৱ, অসম চৰকাৰৰ সৰ্বোচ্চ সন্মান 'শ্ৰীমন্ত শংকৰদেৱ বঁটা আৰু অসম ৰত্ন বঁটাৰে বিভূষিত"[১] তেৱেঁই আমাৰ অতি প্ৰাণৰো প্ৰাণৰ আপোন ড° ভূপেন হাজৰিকা ওৰফে ভূপেন দা।

বহু গুণেৰে গুণান্বিত, বহু বঁটা সন্মানেৰে সন্মানিত এইগৰাকী শিল্পী, সাহিত্যিক সংগীত সূৰ্য্যই আন দহ কৰ্মৰে মানুহৰ হৃদয় জিনি, আজীৱন গীতকে গাই গীতেৰেই মানুহক মানুহ হ'বলৈ বুজালে; গীতেৰেই জীৱনৰ প্ৰকৃত সত্যক উপলব্ধি কৰিবলৈ শিকালে। মানৱ জীৱনৰ ক্ষণভঙ্গুৰতা, অনিত্যতা, মিথ্যতা আদিৰ বিষয়ে গীতৰ মাজেৰেই প্ৰকাশ কৰি এই সংসাৰৰ দুৰ্গতজনক বুজিবলৈ দিলে।

জীৱন মাথোঁ এটি ক্ষণ। এই ক্ষণিক মুহূৰ্ততে যিয়ে জীৱনৰ মহত্বপূৰ্ণ কৰ্ম কৰি জীৱনটোক অৰ্থপূৰ্ণ কৰিব পাৰে, তেৱেঁই সংস্কাৰী পুৰুষ। এনে পুৰুষে যি কৰে, তেওঁৰ কৰ্মৰাজিয়ে আনক প্ৰভাবান্বিত কৰিব পাৰে। দহজনৰ উপকাৰৰ কথা মনত পেলাইছে যদি নিঃস্বাৰ্থ ভাৱেৰে কোনো কৰ্ম কৰা হয়, তেনে কৰ্মই জীৱনক অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। আমাৰ প্ৰবাদ পুৰুষ ভূপেন হাজৰিকাও তেনে এগৰাকী অৰ্থপূৰ্ণ জীৱনধাৰী ব্যক্তি। তেওঁৰ আন আন কৰ্মৰ লগতে, তেওঁ গোৱা বা লিখা সকলো গীত কেৱল মানুহৰ বাবে, জীৱনৰ বাবে। তেওঁ নিজেই এঠাইত উল্লেখ কৰি গৈছে— "মোৰ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ যাত্ৰা সংগ্ৰাম আৰু সংঘাতে মানুহৰ বাবেই লিখিবৰ অন্তঃপ্ৰাণ যোগাই আহিছে। মোৰ মূল বিষয় জনগণৰ সেৱাকে মোৰ গীতৰ মূল উদ্দেশ্য হিচাপে লৈ মই লিখা গীতবোৰৰ কিছুমান লিখিছোঁ তাৎক্ষণিক ব্যৱহাৰৰ বাবে, কিছুমান গীত নাটক, বোলছবি বা শ্ৰব্য কেছেট, ৰেকৰ্ড, বোলছবিৰ দৃশ্য, চৰিত্ৰ বা কাহিনীৰ লগত ৰজিতা খুৱাই, কিছুমান লিখিছোঁ দেশ-জাতিৰ সমূহীয়া বিপ্লৱী মনৰ বিশ্লেষণ কৰি, দেশ আৰু সমাজৰ সমস্যাৰ সময়ত ৰাইজক যোগাই তোলাৰ উদ্দেশ্যেৰে, কিছুমান আকৌ লিখিছোঁ কোনো কোনো ব্যক্তিৰ বা নিজৰ ব্যক্তিগত অনুভূতিক বিশ্লেষণ কৰি। মোৰ সকলো গীতৰ ৰচনাৰ মূল উদ্দেশ্য হ'ল— "গানবোৰ মানুহৰ গান হ'ব লাগিব। সেয়েহে মই ভাবোঁ বৰ্তমানটো এদিন যেতিয়া অতীত হৈ যাব, তেতিয়াও মোৰ কিছুমান গীত প্ৰাসংগিক হৈ থাকিব আৰু কিছুমান গীত ইতিহাস হৈ যোৱা ইতিহাসৰ ভিত্তিতে মানুহক পৰিবৰ্তনৰ বাটেৰে আগুৱাই যাবৰ বাবে সাহস যোগাব, আস্থা প্ৰদান কৰিব। সেয়া মোৰ গীতৰ বিশ্লেষণ নহয়, আত্মোপলব্ধিহে।"[২]

ড° হাজৰিকাই নিজৰ গীতৰ ওপৰত কৰা উক্ত মন্তব্যত আমি পাইছোঁ যে তেওঁ ৰচনা কৰা বা গোৱা গীতসমূহৰ ভিতৰত কিছুমান নিজৰ ব্যক্তিগত অনুভূতিৰ ওপৰত বিশ্লেষণ কৰি ৰচনা কৰা বা গোৱা গীতো আছে। সেইবোৰ হৈছে মানৱ জীৱনৰ চৰম সত্য, যেনে- জীৱন-মৰণ, যন্ত্ৰণা, ঘাত-প্ৰতিঘাত, আত্মা-পৰমাত্মাৰ বিশ্বাস, জীৱনৰ অনিত্যতা, সংসাৰৰ মিথ্যাচাৰ, মায়া-মোহ আদি জীৱনবোধৰ সুন্দৰ প্ৰতিফলনৰ গীত।

**১.০১ বিষয়বস্তু নিৰ্বাচনৰ উদ্দেশ্য ঃ**

সংগীত সম্ৰাট ড° ভূপেন হাজৰিকাই ৰচনা কৰা আৰু গোৱা গীতসমূহৰ বিষয়বস্তু কেইবা প্ৰকাৰৰ। কিছুমান আছে মানৱতাক লৈ গোৱা, কিছুমান বিপ্লৱী গীত, কিছুমান প্ৰেম-ভালপোৱাৰ জৈৱিক কামনাৰ গীত, কিছুমান স্বদেশ-স্বজাতিক লৈ গোৱা বা ৰচনা কৰা গীত। তাৰ বিপৰীতে আৰু এটা বিষয়ৰ গীত আছে সেইটো হ'ল আধ্যাত্মিক প্ৰভাৱযুক্ত জীৱনবোধৰ গীত। হাজৰিকাৰ গীতৰ বিষয় সম্পৰ্কে ইতিমধ্যে বিজ্ঞজনে বিবিধ ভাৱে আলোচনা বা চৰ্চা কৰিছে যদিও আধ্যাত্মিক প্ৰভাৱ সম্পৰ্কে হয়তো খুব কমেইহে আলোচনা হৈছে। সেয়েহে অল্প চৰ্চিত বা অনালোচিত বিষয়টিকে এই লেখাটিৰ বিষয় হিচাবে লোৱা হৈছে। যাতে এই বিষয়টি বিদ্বত সমাজত আৰু অধিক আলোচনা বা চৰ্চিত হয়।

**১.০২ পদ্ধতি গ্ৰহণ ঃ**

আলোচনাৰ বিষয়বস্তু প্ৰধানকৈ বৰ্ণনাত্মক পদ্ধতিৰে আগবঢ়োৱা হৈছে যদিও প্ৰয়োজন সাপেক্ষে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰিও বিষয়টি স্পষ্ট কৰাৰ বাবে প্ৰচেষ্টা লোৱা হৈছে।



Principal
Chhamaria Anchalik College

প্ৰবাদ পুৰুষৰূপে মান্য, ভাৰত চৰকাৰৰ সৰ্ব্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী' আৰু 'পদ্মভূষণ' সন্মানেৰে বিভূষিত, ভাৰতীয় সংগীত নাটক একাডেমীৰ বঁটাৰে সন্মানিত তথা একাডেমীৰ প্ৰাক্তন অধ্যক্ষ, দেশ-বিদেশৰ বিভিন্ন মঞ্চত বিশ্ববিশ্ৰুত শিল্পীৰূপে সৰ্বজনমান্য, অসমৰ গৌৰব, অসম চৰকাৰৰ সৰ্বোচ্চ সন্মান 'শ্ৰীমন্ত শংকৰদেৱ বঁটা আৰু অসম ৰত্ন বঁটাৰে বিভূষিত"[১] তেৱেঁই আমাৰ অতি প্ৰাণৰো প্ৰাণৰ আপোন ড° ভূপেন হাজৰিকা ওৰফে ভূপেন দা।

বহু গুণেৰে গুণান্বিত, বহু বঁটা সন্মানেৰে সন্মানিত এইগৰাকী শিল্পী, সাহিত্যিক সংগীত সূৰ্য্যই আন দহ কৰ্মৰে মানুহৰ হৃদয় জিনি, আজীৱন গীতকে গাই গীতেৰেই মানুহক মানুহ হ'বলৈ বুজালে; গীতেৰেই জীৱনৰ প্ৰকৃত সত্যক উপলব্ধি কৰিবলৈ শিকালে। মানৱ জীৱনৰ ক্ষণভঙ্গুৰতা, অনিত্যতা, মিথ্যতা আদিৰ বিষয়ে গীতৰ মাজেৰেই প্ৰকাশ কৰি এই সংসাৰৰ দুৰ্গতজনক বুজিবলৈ দিলে।

জীৱন মাথোঁ এটি ক্ষণ। এই ক্ষণিক মুহূৰ্তত যিয়ে জীৱনৰ মহত্বপূৰ্ণ কৰ্ম কৰি জীৱনটোক অৰ্থপূৰ্ণ কৰিব পাৰে, তেৱেঁই সংস্কাৰী পুৰুষ। এনে পুৰুষে যি কৰে, তেওঁৰ কৰ্মৰাজিয়ে আনক প্ৰভাৱান্বিত কৰিব পাৰে। দহজনৰ উপকাৰৰ কথা মনত পেলাইছে যদি নিঃস্বাৰ্থ ভাৱেৰে কোনো কৰ্ম কৰা হয়, তেনে কৰ্মই জীৱনক অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। আমাৰ প্ৰবাদ পুৰুষ ভূপেন হাজৰিকাও তেনে এগৰাকী অৰ্থপূৰ্ণ জীৱনধাৰী ব্যক্তি। তেওঁৰ আন আন কৰ্মৰ লগতে, তেওঁ গোৱা বা লিখা সকলো গীত কেৱল মানুহৰ বাবে, জীৱনৰ বাবে। তেওঁ নিজেই এঠাইত উল্লেখ কৰি গৈছে— "মোৰ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ যাত্ৰা সংগ্ৰাম আৰু সংঘাতে মানুহৰ বাবেই লিখিবৰ অন্তঃপ্ৰাণ যোগাই আহিছে। মোৰ মূল বিষয় জনগণৰ সেৱাকে মোৰ গীতৰ মূল উদ্দেশ্য হিচাপে লৈ মই লিখা গীতবোৰৰ কিছুমান লিখিছোঁ তাৎক্ষণিক ব্যৱহাৰৰ বাবে, কিছুমান গীত নাটক, বোলছবি বা শ্ৰব্য কেছেট, ৰেকৰ্ড, বোলছবিৰ দৃশ্য, চৰিত্ৰ বা কাহিনীৰ লগত ৰজিতা খুৱাই, কিছুমান লিখিছোঁ দেশ-জাতিৰ সমূহীয়া বিপ্লৱী মনৰ বিশ্লেষণ কৰি, দেশ আৰু সমাজৰ সমস্যাৰ সময়ত ৰাইজক যোগাই তোলাৰ উদ্দেশ্যেৰে, কিছুমান আকৌ লিখিছোঁ কোনো কোনো ব্যক্তিৰ বা নিজৰ ব্যক্তিগত অনুভূতিক বিশ্লেষণ কৰি। মোৰ সকলো গীতৰ ৰচনাৰ মূল উদ্দেশ্য হ'ল— "গানবোৰ মানুহৰ গান হ'ব লাগিব। সেয়েহে মই ভাবোঁ বৰ্তমানটো এদিন যেতিয়া অতীত হৈ যাব, তেতিয়াও মোৰ কিছুমান গীত প্ৰাসংগিক হৈ থাকিব আৰু কিছুমান গীত ইতিহাস হৈ যোৱা ইতিহাসৰ ভিত্তিতে মানুহক পৰিৱৰ্তনৰ বাটেৰে আগুৱাই যাবৰ বাবে সাহস যোগাব, আস্থা প্ৰদান কৰিব। সেয়া মোৰ গীতৰ বিশ্লেষণ নহয়, আত্মোপলব্ধিহে।"[২]

ড° হাজৰিকাই নিজৰ গীতৰ ওপৰত কৰা উক্ত মন্তব্যত আমি পাইছোঁ যে তেওঁ ৰচনা কৰা বা গোৱা গীতসমূহৰ ভিতৰত কিছুমান নিজৰ ব্যক্তিগত অনুভূতিৰ ওপৰত বিশ্লেষণ কৰি ৰচনা কৰা বা গোৱা গীতো আছে। সেইবোৰ হৈছে মানৱ জীৱনৰ চৰম সত্য, যেনে- জীৱন-মৰণ, যন্ত্ৰণা, ঘাত-প্ৰতিঘাত, আত্মা-পৰমাত্মাৰ বিশ্বাস, জীৱনৰ অনিত্যতা, সংসাৰৰ মিথ্যাচাৰ, মায়া-মোহ আদি জীৱনবোধৰ সুন্দৰ প্ৰতিফলনৰ গীত।

**১.০১ বিষয়বস্তু নিৰ্বাচনৰ উদ্দেশ্য ঃ**

সংগীত সম্ৰাট ড° ভূপেন হাজৰিকাই ৰচনা কৰা আৰু গোৱা গীতসমূহৰ বিষয়বস্তু কেইবা প্ৰকাৰৰ। কিছুমান আছে মানৱতাক লৈ গোৱা, কিছুমান বিপ্লৱী গীত, কিছুমান প্ৰেম-ভালপোৱাৰ জৈৱিক কামনাৰ গীত, কিছুমান স্বদেশ-স্বজাতিক লৈ গোৱা বা ৰচনা কৰা গীত। তাৰ বিপৰীতে আৰু এটা বিষয়ৰ গীত আছে সেইটো হ'ল আধ্যাত্মিক প্ৰভাৱযুক্ত জীৱনবোধৰ গীত। হাজৰিকাৰ গীতৰ বিষয় সম্পৰ্কে ইতিমধ্যে বিজ্ঞজনে বিবিধ ভাৱে আলোচনা বা চৰ্চা কৰিছে যদিও আধ্যাত্মিক প্ৰভাৱ সম্পৰ্কে হয়তো খুব কমেইহে আলোচনা হৈছে। সেয়েহে অল্প চৰ্চিত বা অনালোচিত বিষয়টিকে এই লেখাটিৰ বিষয় হিচাবে লোৱা হৈছে। যাতে এই বিষয়টি বিদ্বত সমাজত আৰু অধিক আলোচনা বা চৰ্চিত হয়।

**১.০২ পদ্ধতি গ্ৰহণ ঃ**

**১.০৩ তথ্য সংগ্ৰহ ঃ**

নিৰ্বাচিত বিষয় সম্বন্ধে আলোচনা কৰিবলৈ যাওঁতে মূল উৎস হিচাপে সূৰ্য হাজৰিকাৰ দ্বাৰা সম্পাদিত 'ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ গীতাৱলী' (সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ,২০০৮) পুথিখনৰ সহায় লোৱা হৈছে।

**১.০৪ বৰ্ণনা বা বিশ্লেষণৰ পৰিধি ঃ**

নিৰ্বাচিত বিষয়টি আলোচনা কৰিবলৈ যাওঁতে বিষয় সংলগ্ন ড° হাজৰিকাৰ মাথোঁ কেইটিমান গীতৰ স্থায়ী বা অন্তৰাৰ বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। যি বিশ্লেষণ বা বৰ্ণনাৰ পৰিধি তেনেই সীমিত বুলিয়েই ক'ব পাৰি।

**২.০০ মূল বিষয় বিশ্লেষণ ঃ**

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে ড° ভূপেন হাজৰিকাই গোৱা বা ৰচনা কৰা শ শ গীতৰ ভিতৰত কেইটিমান আধ্যাত্মিক জীৱনবোধ উল্লেখ থকা খুব জনপ্ৰিয় গীত আছে।

মানৱ জীৱন খন্তেকীয়া। জীৱন নামৰ সম্ভাটোৱে জিৰণি লোৱা দেহৰূপী ঘৰটোও তেনেই খন্তেকীয়া, ঠুনুকা। এই ঠুনুকা ঘৰটোৱে 'মন পখী' আত্মাক চিৰকাল বান্ধিব নোৱাৰে। সকলো সীমাৰ পৰিধি ভাঙি আত্মাটোৱে অসমীৰ বাটলৈ 'কামনাৰ ৰহণ সানি' ঢাপলি মেলিবলৈ উদগ্ৰীৱ হৈ থাকে। আত্মাৰ এই চিৰ শাশ্বত প্ৰৱাহমান গতি হাজৰিকাৰ এটি জনপ্ৰিয় গীতৰ মাজেৰে এইদৰে সুন্দৰ অভিব্যক্তি ঘটিছে—

অ ঠুনুকা কাঁচঘৰ
তই বান্ধিবি কিমান?
মোৰ মন পখীক
সীমাৰ পৰিধি টানি।
সৌ অসীম আকাশ
মোৰেই বাবে বাট চাই আছে
কামনা ৰহণ সানি।

জীৱন যাৰ, মৰণো তাৰ। জীৱন থাকিলে মৰণো থাকিব। কিয়নো 'জীৱন-মৰণ একেটি জীৱন নদীৰ ইপাৰ-সিপাৰ মাথোঁ দুটি ঘাট'। জীৱনৰ এই নিভাঁজ সত্যক জানিও মানুহে কিবা এক চৰম লালসাৰে জীৱনটোক বোৱঁতী নৈৰ দৰে বোৱাই ৰাখিব বিচাৰে—

জানোঁ মৰণ-জীৱন একেটি নদীৰ
দুপাৰৰে দুটি ঘাট
শুনোঁ মৰণ হেনো শ্যাম সমান
নিতে বাঁহী বায় তাত।
তথাপি কিয় ছবি আঁকি যাওঁ
জীৱন লালসাৰ
তথাপি কিয় মোৰ মানসত
বোৱঁতী সুঁতিৰে ধাৰ।

জীৱন মানেই ঘাত-প্ৰতিঘাত। জীৱনৰ কাল ধুমুহাই ঢাকে আকাশ। জীৱন অকাঠী 'শিমলুৰ নাও', যাৰ ব'ঠা ভগা, কাঠো পঁচা। কালৰ চিৰ কোবাল প্ৰৱাহে জীৱন নাও বিচ্ছিন্ন কৰি পেলাব খোজে—

ব'ঠা ভাগে কাঠো পঁচা
শিমলুৰে নাও
জীৱনৰে সোঁত নেজানো

আৰু পানীৰ ভাও...

... ... ...

অ' বান্ধ' অ'...

জীৱনৰ প্ৰকৃত বান্ধ বা বান্ধৱ-পৰমেশ্বৰ বা ভগৱানৰ বাহিৰে জানো আন থাকিব পাৰে। আত্ম উপলব্ধি কৰিব পৰা জনেহে এই সংসাৰৰ মায়া এৰি প্ৰকৃত বান্ধৱ গৰাকীক কাতৰ মিনতি জনাই যাতে বাৰে বাৰে এই সংসাৰত ভূঞ্জিবলৈ আহিব নলগা হয়। বাৰে বাৰে জন্ম লাভ কৰি বাৰে বাৰে মৰণ মিলি অহা-যোৱা কৰা এই চক্ৰ গতিৰ প্ৰকৃত অভিলাস কি? সেয়া 'অনন্ত পিয়াস' বা পৰম তৃষ্ণাৰ বাহিৰে আন একো হ'ব নোৱাৰে। বিবেকী সকলেহে যেন এই কথা বুজি পায় আৰু সেয়ে 'ইপাৰৰ মায়া' (সংসাৰৰ মায়া) এৰি সিপাৰৰ কায়া' (ভগৱত প্ৰীত)ৰ সৈতে মিলন হ'বলৈ উদ্‌গ্ৰীৱ হৈ থাকে—

নেলাগে নেলাগে মোক
মায়া ইপাৰৰ
বিচাৰিছোঁ মোহময়ী
কায়া সিপাৰৰ
... ... ...
সিপাৰ পালে ইপাৰ লাগে
অনন্ত পিয়াস
ইপাৰ-সিপাৰ অহা-যোৱা
চক্ৰ অভিলাস
চক্ৰ অভিলাস...

মানৱ জীৱন সংঘাতময়। ই এক বোৱঁতী নদী। নদীয়ে গড়া খহায়, চৰ পেলায় আৰু কেতিয়াবা আপোন বুকুৰ মাজত জীৱ-জীৱ ভৰ সহিবলগীয়াও হয়। জীৱন নৈখনৰো একেই দশা। বহু অপ্ৰত্যাশিত ঢৌৰ সন্মুখীন হৈ লটি-ঘটি খাব লগা হয়। কোন ঘাটে ধাৱিত হ'লে এই বিড়ম্বনাৰ পৰা পৰিত্ৰাণ পোৱা যাব, সেই আপোন চিনাকি ঘাটৰ সন্ধান দিবলৈ পৰমজনা বান্ধৱক কাতৰ আহ্বান জনোৱা হৈছে।

এ জীৱন নদীৰ কতনা মোহনা
কোনটো দিশেনো ঘাট
এ ক'তেনো পাম গৈ মৰমেৰে ভৰা
এযাৰি আপোন মাতে, মোৰ বান্ধ' ঐ
চিনাই নিদিয়ানে বাট?

জীৱনৰূপী দেহটো ক্ষণিকৰ আলহী ঘৰ। মাথোঁ নিৰ্দিষ্ট কেইদিনমানৰ বাবেহে আলহী আত্মাই জিৰণি ল'ব পাৰে। এই ক্ষণিকৰ ঘৰটোৱেই আমাৰ ওৰেটি জীৱনৰ বাবে আপোন হৈ পৰে।

আলহী যৰটি জিৰণীয়া ঘৰে
দুদিনীয়া ক্ষণিকৰ
সিও যে হয়গৈ আপোনাৰে ঘৰে
ওৰেটি জীৱনৰ।

ক্ষণিকৰ সেই কেইদিনতেই সংসাৰৰ অচিনা অজানা মায়াই লগ ধৰি জীৱনক আউল লগাইহি। ফলত 'চনকা মনটি ঠুনুকাই ঠুনুকাই ভাগে।' নিঠৰুৱা জীৱনৰ এই শাশ্বত মৰ্মবেদনা ড° হাজৰিকাৰ গীতৰ মাজেৰে এইদৰে প্ৰতিফলিত হৈছে—



Principal
Chhamaria Anchalik College

গাৰ তেজ-পানী কমি অহা মানেই নিশ্চিত মৃত্যু। মৃত্যুৱেই হ'ল আমাৰ জীৱনৰ আটাইতকৈ সত্য মুহূৰ্ত। যাক মানুহে পাহৰি থাকিব বিচাৰে। মৃত্যু ভয়ে গোটেই জীৱনক খেদি ফুৰে। তাৰ পৰা হাত সাৰিবলৈ মানুহে ব্যৰ্থ চেষ্টা কৰে। জীৱনৰ এনেবোৰ বেদনাদায়ক অথচ সৰল কথাবোৰক সুৰৰ মাজেৰে, গীতৰ মাজেৰে প্ৰকাশ কৰি মানুহক উপলব্ধি কৰোৱা আমাৰ মহাপুৰুষদ্বয় ক্ৰমে শংকৰ-মাধৱৰ আধ্যাত্মিক দান-বৰগীতবোৰৰ বিষয়বস্তুৰ দৰেই যেন ড° হাজৰিকাৰ এই গীত সমূহো আধ্যাত্মিক ভাৱযুক্ত গীত।

**৩.০০ উপ-সংহাৰ ঃ**

সংসাৰৰ প্ৰতিগৰাকী ব্যক্তিৰ মাজত জীৱন যন্ত্ৰণাৰ জীয়া ছবি থাকে। বাস্তৱৰ সেই ছবিবোৰেই প্ৰকৃত জীৱনৰ কেনভাচ্। য'ত উদ্ভাসিত হৈ উঠে জীৱনৰ কলাজ। প্ৰাপ্তি-অপ্ৰাপ্তিৰ দ্বন্দ্বময় ছন্দই জীৱনটোক সজায় নানা ৰঙেৰে। যি ৰং-সুৰভিয়ে মূৰ্ত হৈ উঠে গীতেৰে সুৰেৰে কথাৰে। ড° ভূপেন হাজৰিকা তেনে এগৰাকী নিপুণ শিল্পী, যি "সুৰেৰে পখালী জীৱনৰ আবেগ অনুভূতিবোৰ গদ্যৰ ভাষাৰে যোগান ধৰি মাজতে সিবোৰক কবিতাৰ পদ্য বিন্যাসেৰে আচ্ছন্ন কৰি তোলা দেৱালখন আঁতৰাই পেলাইছে।"[৩]

এগৰাকী সুনিপুণ গীতিকাৰ আৰু গায়ক হিচাপে ড° ভূপেন হাজৰিকাৰ গীতৰ সন্দৰ্ভত মহেন্দ্ৰ বৰাই উচ্চ প্ৰশংসাৰে সুন্দৰ মন্তব্য আগবঢ়াই গৈছে "প্ৰাণৰ ভিতৰত আকুতি জাগে, জীৱনৰ সকীয়নিটো। তাৰ উম সনা আপোন ৰূপেৰে ওলাই আহিবলৈ। সেয়ে সি গান হৈ ওলাই আহে ঠিক যেনেকৈ ফুলৰ 'পাহিবোৰ' সিহঁতৰ ৰং আৰু গোন্ধ নিজেই বিচাৰি লৈ আপোনা আপুনি ফুল হৈ ফুলি উঠে, তেনেকৈয়ে। তেওঁৰ গান মানেই কথা আৰু সুৰৰ হৰগৌৰী বসতি। কথা আৰু সুৰৰ কোনটোৱে পোনতে প্ৰকাশৰ পটিটো বিচাৰি পায়, সেয়া কোনেও নাজানে।"[৪] ◆◆

**অন্ত্যটীকা ঃ**

| | | |
|---|---|---|
| ১। হাজৰিকা, সূৰ্য্য | ঃ | 'ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ সম্পাদকৰ একাষাৰ', *গীতাৱলী*, ২৭.১০, ২০০৮, পৃ. (নাই) |
| ২। হাজৰিকা, ভূপেন | ঃ | 'মোৰ গীত আৰু গীত সমগ্ৰ'ৰ নতুন সংস্কৰণ সম্পৰ্কৰ যৎকিঞ্চিৎ... নিজৰাপাৰ, গুৱাহাটী, ২৪.০৪, ২০০৮ পৃ. (নাই) |
| ৩। বৰা, মহেন্দ্ৰ | ঃ | 'ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ' 'ভূমিকা' ১৪-১২-১৯৯২, পৃ. (নাই) |
| ৪। বৰা, মহেন্দ্ৰ | ঃ | সদ্যোক্ত, পৃ. (নাই) |

**প্ৰসঙ্গ পুথি ঃ**

| | | |
|---|---|---|
| নাথ, ৰতিমোহন (সম্পা.) | ঃ | *ড° ভূপেন হাজৰিকাৰ কবিতা* 'প্ৰথম সংস্কৰণ-২০১১' বাণী মন্দিৰ, গুৱাহাটী-৩ |
| হাজৰিকা, সূৰ্য্য (সম্পা.) | ঃ | *ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ 'গীতাৱলী'* (সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ), ২০০৮, লাৱণ্য প্ৰকাশন, গুৱাহাটী,-৫ |
| হাজৰিকা, সূৰ্য্য (সম্পা.) | ঃ | *বহ্নিমান লুইতৰ পাৰে পাৰে*, ১৯৯৩, এইছ.এছ. শিক্ষক ন্যাস, বাণী মন্দিৰ, গুৱাহাটী-৩ |

**Wikipedia :**

* https://as.wikipedia.org/?curid=34438
* https://xahitya.org

Principal
Chhaygaria Anchalik College